# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 15-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

ৰাজ্য চৰকাৰে বিশ্বমানৰ সা-সুবিধাৰ সৈতে প্ৰতিখন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকা বিনিয়োগ কৰি স্কুলীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে। আজি কামৰূপ জিলাৰ বেজেৰা আদৰ্শ বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে চলিত বৰ্ষত ৪৯৯খন একেধৰণৰ আদৰ্শ বিদ্যালয় মুকলি কৰা হ'ব। অসমৰ স্কুলীয়া শিক্ষাৰ বাবে এয়া ঐতিহাসিক বুলি  উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালৰ শিশুসকলৰ প্ৰকৃত সবলীকৰণৰ উদ্দেশ্যে পৰৱৰ্তী পাঁচ বছৰত এনে ৫ হাজাৰখন বিদ্যালয় নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে।

০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাজিৰঙাৰ অগৰাতলীৰ চহলা বিলত বিভিন্ন পৰিভ্ৰমী পক্ষী দৰ্শন কৰি চলিত বৰ্ষত বনাঞ্চলখনত পক্ষী মহোৎসৱ আয়োজনৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। পক্ষীপ্ৰেমীসকলৰ কাৰণে ভূস্বৰ্গস্বৰূপ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সৰ্বমুঠ ৫০০বিধ প্ৰজাতিৰ পক্ষী স্থায়ীভাৱে পোৱা যায়। এছীয় ধনেশ, উলুম'ৰাৰ দৰে বিৰল প্ৰজাতিৰ পক্ষীয়েও কাজিৰঙাক আৱাসস্থল হিচাপে গ্ৰহণ কৰে। ইয়াৰ উপৰি শীতকালত চাইবেৰিয়া, আলাস্কা, মানস সৰোবৰ ইত্যাদি ঠাইসমূহৰ পৰা পৰিভ্ৰমী পক্ষীৰো ৰাষ্ট্ৰীয় উদ্যানখনৰ জলাহ অঞ্চললৈ আগমন ঘটে।

০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ ৰেল সুৰক্ষা বাহিনীয়ে তালাচী অভিযান চলাই ৰেলৱেৰ টিকট অবৈধভাৱে বিক্ৰী কৰাৰ অভিযোগত  ৪ জন দালালক কৰায়ত্ত কৰে বুলি উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, ২০২৪ বৰ্ষৰ ডিচেম্বৰ মাহ পৰ্যন্ত উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ ৰেল সুৰক্ষা বাহিনীয়ে বিভিন্ন স্থানত অভিযান চলাই এক কোটি ১৫ লাখ টকাৰো অধিক মূল্যৰ ৪৫ টা ৰেলৰ টিকট উদ্ধাৰ কৰে। ধৃত দালাল কেইজনৰ বিৰুদ্ধে ৰেলৱে আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। উত্তৰ পূৰ সীমান্ত ৰেলৱে কৰ্তৃপক্ষই সকলো যাত্ৰীকে সঠিক টিকট লৈ ৰেল যাত্ৰা কৰিবলৈ আহ্বান জনাইছে।

০০০

গুৱাহাটী মহানগৰীৰ ৯ খন আৰক্ষী থানাত নতুন ভাৰপ্ৰাপ্ত বিষয়াক নিযুক্তি দিয়া হৈছে। পৰিদৰ্শক পৰ্যায়ৰ এই আৰক্ষী বিষয়াসকলক তৎকালেই কৰ্তব্যত যোগদান কৰিবলৈ মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে নিৰ্দেশনা জাৰি কৰিছে। ভাস্কৰ মল্ল পাটোৱাৰীক দিছপুৰ আৰক্ষী থানাৰ, কপিল পাঠকক বশিষ্ঠ আৰক্ষী থানাৰ,

শংকৰজ্যোতি নাথক পানবজাৰ আৰক্ষী থানাৰ, কুলেশজ্যোতি ভূঞাক পল্টনবজাৰ আৰক্ষী থানাৰ আৰু শ্ৰীমতী জুনামণি কলিতাক চানমাৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে নিযুক্তি দিয়া হৈছে বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০

বজালী জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীভোগেশ্বৰ মন্দিৰত মাঘ বিহুৰ সৈতে সংগতি ৰাখি শ্ৰীশ্ৰীভোগেশ্বৰ মহাপ্ৰভূ আৱিৰ্ভাৱৰ ৩০০ বছৰীয়া জয়ন্তী উৎসব বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি মহোৎসৱৰ দ্বিতীয় দিনা পুৱাৰে পৰা লক্ষাধিক ভক্তৰ সমাগম হয়। পুৱা পৰিবেশ নিকাকৰণৰ পাছত শৰাই স্থাপন কৰা হয়। মহোৎসৱত বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বিনিতা বৰা দেৱচৌধুৰী, শিক্ষাবিদ তথা সাহিত্যিক মুনিন্দ্ৰ নাৰায়ণ গোস্বামী, সমাজকৰ্মী ভৱেশ শৰ্মাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে জয়ন্তী উৎসৱৰ উপলক্ষে প্ৰস্তুত কৰি উলিওৱা স্মৃতিগ্ৰন্থ উন্মোচন কৰে।

০০০

মঙলদৈ চপাই অঞ্চলৰ গধিয়াপাৰা গাওঁৰ খুলীয়া ভাওনাৰ প্ৰয়াত শিল্পী জয়ধন ডেকাৰ সোঁৱৰণত আজি এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। শিল্পীগৰাকীৰ বাসগৃহত অনুষ্ঠিত স্মৃতিচাৰণ সভাত সোঁৱৰিছো - জয়ধন ডেকা শীৰ্ষক স্মৃতিগ্ৰন্থখন নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই উন্মোচন কৰে। সভাত উপস্থিত থকা বিভিন্ন সংগঠনৰ সদস্য আৰু ব্যক্তিসকলে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিভা আৰু সান্নিধ্যৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে।

০০০

শ্ৰীভূমি জিলা কাৰ্যালয়ত আজি শ্ৰীভূমি চহৰ পৰিষদৰ উদ্যোগত বুথ সভাপতি আৰু ৱাৰ্ড সদস্যসকলৰ সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত শ্ৰীভূমি জিলাৰ বিজেপি জিলা সভাপতি সঞ্জীৱ বানিক, প্ৰাক্তন সভাপতি সুব্ৰত ভট্টাচাৰ্য্য, শ্ৰীভূমি পৌৰ সভাৰ সভাপতি ৰবীন্দ্ৰ দেৱ, অনুসূচীত জাতি বোৰ্ডৰ অধ্যক্ষ কৃষ্ণ দাস আৰু কিশোৰ দে'ৰ লগতে অন্যান্য বিজেপিৰ কৰ্মীসকল উপস্থিত থাকে।

০০০

ডিমা হাছাও জিলাৰ মাইবঙৰ খাচমাইপুৰত আজি ডিমাছা ঐতিহ্য সংগ্ৰহালয় আৰু ডিশ্ৰু গৱেষণা কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা উপস্থিত থাকে। কছাৰীসকলৰ ঐতিহ্যমণ্ডিত ৰাজধানী মাইবঙত থকা স্থাপত্য আৰু ভাস্কৰ্যসমূহৰ বিষয়ে গৱেষণাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শ্ৰীগাৰ্লোছাই কয় যে এই সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰৰ জৰিয়তে ডিমাছা সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰত গুৰুত্ব দিয়া হ'ব। উদ্বোধনী অনুষ্ঠানত ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে।

০০০

সমাপ্ত